# গোলাঘাটৰ ইতিহাস



সম্পাদনা

যুগলজ্যোতি বৰা ।। ড° দীপালি গগৈ

**GOLAGHATOR ITIHASH** : An approach to the past and contemporary events of Golaghat (Doyang-Dhanshiri Valley), Edited by : Yugal Jyoti Borah & Dr. Dipali Gogoi and published by **Golaghat Zila Sahitya Sanmilani**, Golaghat(785621), Assam.

**First Edition : 1st December, 2016** **Price : Rs. 1000.00 only.**

© Golaghat Zila Sahitya Sanmilani

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording or by any information storage and retrieval system, without the prior permission in writing from Golaghat Zila Sahitya Sanmilani.

ISBN : 978-81-930616-0-2
Asomiya Sahitya Sanmilani

<u>সম্পাদনা সমিতি ঃ</u>

মুখ্য উপদেষ্টা ঃ ড° নগেন শইকীয়া

উপদেষ্টা ঃ ডাঃ অজিত বৰুৱা
ড° চৌধুৰী নাথ শইকীয়া

সভাপতি ঃ মহেন্দ্ৰ নাথ শইকীয়া

সম্পাদকদ্বয় ঃ যুগল জ্যোতি বৰা
ড° দীপালি গগৈ

সম্পাদনা সহযোগী ঃ ড° প্ৰাপ্তি ঠাকুৰ

বিভাগীয় তত্ত্বাৱধায়কসকল ঃ
দেৱজিৎ বৰুৱা (ভূগোল), ড° অপূৰ্ব শইকীয়া (অৰ্থনীতি), মনোজ কুমাৰ শইকীয়া (ৰাজনীতি), অৰিন্দম বৰা (শিক্ষা), ড° প্ৰাপ্তি ঠাকুৰ (শিল্প-সংস্কৃতি), শিৱপ্ৰসাদ বৰা (ভাষা-সাহিত্য), ৰাজেন পূজাৰী (সংবাদ জগত), ড° যোগেশ বৰা (বিজ্ঞান), যতীন্দ্ৰ শইকীয়া (চলচ্চিত্ৰ)

প্ৰথম প্ৰকাশ ঃ পহিলা ডিচেম্বৰ, ২০১৬

প্ৰকাশক ঃ মনোজ কুমাৰ শইকীয়া,
সম্পাদক, গোলাঘাট জিলা সাহিত্য সন্মিলনী

পৰিবেশক ঃ প্ৰাগজ্যোতিকা, ১নং বৰজান, গোলাঘাট- ৭৮৫৬০১, দূৰভাষ - ৯৪০১০৯৬৬৭

প্ৰচ্ছদ আৰু চিত্ৰ সম্পাদনা ঃ মনজিৎ ৰাজখোৱা

অংগসজ্জা ঃ পুলক গগৈ

অক্ষৰ বিন্যাস ঃ বিতু সিংহ, চুমন বৰুৱা, দিলীপ কুমাৰ দত্ত, অৰুণ নেওগ

মূল্য ঃ ১০০০/- টকা মাত্ৰ।

ডি.টি.পি. আৰু মুদ্ৰণ ঃ প্ৰভাতী প্ৰিণ্টাৰ্ছ
মিউনিচিপেলিটি মাৰ্কেট, গোলাঘাট

সপ্তম অধ্যায় ।। গোলাঘাটৰ ৰাজনৈতিক প্ৰেক্ষাপট ঃ

- গোলাঘাটৰ চিনাকী বিদ্ৰোহৰ বাবেহি বৃটিছৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ সামৰিক পৰিকল্পনা ✍ ড° অঞ্জনা বৰুৱা ১৯৫
- বৃটিছ শক্তি দিয়া গোলাঘাটৰ জাতীয় বীৰ বিদ্যেশ্বৰ চুতীয়া ✍ অমৃত বল্লভ গোস্বামী ২০১
- স্বাধীনতা সংগ্ৰামত গোলাঘাটৰ নাৰীসকলৰ অৱদান ✍ ড° অনিল কুমাৰ শৰ্মা ২০৫
- ভাৰতৰ স্বাধীনতা আন্দোলনত বোকাখাতৰ ভূমিকা ✍ অঞ্জনা শইকীয়া ২১০
- স্বাধীনোত্তৰ গোলাঘাটৰ ৰাজনৈতিক দৃশ্যপট ✍ হেম ফুকন ২১৩
- অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত গোলাঘাট জিলা ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ ভূমিকা ✍ বাণা কলিতা ২২২
- ট্ৰেড ইউনিয়ন সংগঠন আৰু সংগ্ৰামত গোলাঘাট ✍ লক্ষেশ্বৰ বৰা ২৩১
- গোলাঘাটৰ বাঁওপন্থী দল-সংগঠন আৰু আন্দোলন ✍ হেম ফুকন ২৪০
- ৰাজনৈতিক প্ৰেক্ষাপটত গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্ত অঞ্চল ✍ বণিকা বল্লভ গোস্বামী ২৫৩

অষ্টম অধ্যায় ।। গোলাঘাটৰ শিক্ষা জগত ঃ

- গোলাঘাট জিলাৰ প্ৰাথমিক শিক্ষাৰ অতীত আৰু বৰ্তমান ✍ পুলাল শইকীয়া ২৭৬
- উচ্চ মাধ্যমিক শিক্ষা আৰু গোলাঘাট জিলা ✍ নবীন শইকীয়া ২৮৮
- গোলাঘাট জিলাৰ উচ্চ শিক্ষানুষ্ঠানসমূহত এক চমু আলোকপাত ✍ বিমান আলবৰা ২৯১
- গোলাঘাট জিলাত শিক্ষাৰ বিস্তাৰত ব্যক্তিগত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা ✍ ড° দেইজীৰাণী চুতীয়া ২৯৮

নৱম অধ্যায় ।। গোলাঘাটৰ শিল্প সংস্কৃতি ঃ

- গোলাঘাটৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ ✍ বাজিদুৰ ৰহমান ৩০৩
- গোলাঘাট জিলাৰ পৰিৱেশ্য কলাৰ সমীক্ষাত্মক ইতিবৃত্ত ✍ ৰাজীব বল্লভ গোস্বামী ৩০৮
- গোলাঘাটৰ সাংস্কৃতিক জগতখন ✍ জীনা বৰুৱা ৩১৭
- গোলাঘাট জিলাৰ থান আৰু সত্ৰসমূহ ✍ নমিতা বৰুৱা ৩২০
- গোলাঘাটৰ ঢোলশিল্প আৰু পুতলা নাচৰ ঐতিহ্য ✍ যদু বৰুৱা ৩৩০
- অ-বিভক্ত গোলাঘাট জিলাৰ লোক সংস্কৃতি আৰু ঢোল বিদ্যাৰ ওজা গুৰুকুল পৰম্পৰা ✍ দণ্ডেশ্বৰ বৰুৱা (ওজা) ৩৩৫
- দেওপাহাৰ ঃ গোলাঘাটৰ ঐতিহ্য ✍ মহেন শইকীয়া ৩৩৮
- গোলাঘাট এমেচাৰ থিয়েটাৰ হ'লাইটৰ ইতিবৃত্ত ✍ দীনেশ গগৈ ৩৪০
- ধনশিৰি মহকুমাৰ নাট্যচৰ্চাৰ পৰিক্ৰমা ✍ নৰেন চুতীয়া ৩৪৪
- ধনশিৰি মহকুমাৰ সংগীত-চৰ্চা ✍ তৰুণ চন্দ্ৰ শৰ্মা ৩৪৯
- বোকাখাতৰ শিল্প-ভাস্কৰ্য ✍ শৈলেন তামুলী ৩৫৫
- আৰ্থ সামাজিক আৰু সাংস্কৃতিক দিশত বোকাখাত ✍ জিতু শৰ্মা বাজখোৱা ৩৬১
- দেৱগীতৰ নাট্য আন্দোলন ✍ ৰবীন্দ্ৰনাথ হাজৰিকা ৩৬৫
- দৈয়াঙৰ সাংস্কৃতিক ক্ষেত্ৰখনত এভুমুকি ✍ মহেন বৰুৱা ৩৭৬
- দৈয়াঙৰ নাট্য চৰ্চা ✍ দীপেন বৰা (চা) ৩৭৯
- ফকৰাটিং অমৰজ্যোতি ক্লাবৰ নাট্যচৰ্চা ✍ দিলীপ কুমাৰ দত্ত ৩৮৩
- বৃহত্তৰ জিলাধাৰী মৌজাত অপেশাদাৰী নাট্যচৰ্চা ✍ অশোক দাস ৩৮৫
- কছাৰীহাট-কমাৰবন্ধা অঞ্চলৰ সাংস্কৃতিক পৰিক্ৰমা ✍ উমা বৰা ৩৮৭
- ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ ✍ শশী বড়া ৩৯২
- পুৰ খুমটাই শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ ✍ তুলিকা শইকীয়া ৩৯৬
- ঐতিহ্যমণ্ডিত চিনাতলী বৰনামঘৰ ✍ পলাশ বৰুৱা ৩৯৮
- কুমাৰগাঁও নামঘৰ আৰু ইয়াৰ ঐতিহ্য ✍ গিৰীন্দ্ৰ নাথ বৰা ৪০০
- গোলাঘাটৰ পৌৰাণিক মছজিদ ✍ বাজিদুৰ ৰহমান ৪০৩
- শ্ৰী১০০৮ পাৰ্শ্বনাথ দিগম্বৰ জৈন মন্দিৰ, গোলাঘাট ✍ অনুবাদ - অৰ্জুন ছেত্ৰী ৪০৫
- গোলাঘাটত ঈশ্বৰ মণ্ডলীৰ স্থাপনৰ ঐতিহাসিক পাতনি ✍ জেমুৱেল লিম্বু ৪০৬

# গোলাঘাট জিলাৰ উচ্চ শিক্ষানুষ্ঠানসমূহঃ এক চমু আলোকপাত

বিমান আৰক্ষৰা

ভাৰতবৰ্ষৰ শিক্ষাৰ এক গৌৰৱময় ইতিহাস দেখিবলৈ পোৱা যায় আৰু এই শিক্ষা ব্যৱস্থা আছিল সম্পূৰ্ণৰূপে ধৰ্মভিত্তিক। প্ৰাক্ ঐতিহাসিক যুগত যেতিয়া বেদৰ ৰচনা হৈছিল তেতিয়াৰে পৰা ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰো আৰম্ভণি বুলি ধৰা হয়। অতীতৰ এই সময়ছোৱাত শৈক্ষিক ক্ষেত্ৰখন যথেষ্ট সমৃদ্ধিশালী আছিল যদিও ই সু-সংগঠিত ৰূপত আগবাঢ়িব পৰা নাছিল। জাতিভেদ, বৰ্ণ বৈষম্য, লিঙ্গ বৈষম্য, ধৰ্মীয় গোড়ামী ইত্যাদি আছিল সেই সময়ৰ শিক্ষাৰ প্ৰধান আঁসোৱাহ। ইয়াৰ প্ৰভাৱ পিছৰ বৌদ্ধ আৰু মুছলমান যুগৰ শিক্ষা ব্যৱস্থাতো দেখিবলৈ পোৱা গৈছিল। কিন্তু মুছলমান যুগৰ শেষৰ ফালে ভাৰতবৰ্ষলৈ আগমন ঘটা ইউৰোপীয় বণিক গোষ্ঠী আৰু লগতে অহা খ্ৰীষ্টান ধৰ্ম প্ৰচাৰকসকলৰ বাবে ভাৰতীয় শিক্ষা ব্যৱস্থাত আধুনিকতাৰ পোহৰ পৰাৰ উপৰিও পাশ্চাত্য চিন্তাধাৰা প্ৰত্যক্ষ ৰূপত শিক্ষাত পৰিলক্ষিত হ'বলৈ ধৰে। এই সময়ছোৱাৰ পৰাই প্ৰকৃত অৰ্থত ভাৰতবৰ্ষত আধুনিক শিক্ষা ব্যৱস্থাৰ আৰম্ভণি হোৱা বুলি ক'লেও ভুল কোৱা নহয়।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ আগলৈকে অসম এখন স্বতন্ত্ৰ ৰাষ্ট্ৰ হিচাপে আছিল যদিও শৈক্ষিক ক্ষেত্ৰখনত ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলত প্ৰচলিত ধৰণৰ শিক্ষা ব্যৱস্থা এই অঞ্চলতো প্ৰচলিত আছিল। অৱশ্যে অনানুষ্ঠানিকভাৱে নামঘৰ আৰু সত্ৰসমূহে জনসাধাৰণৰ মাজত সামাজিক আৰু আধ্যাত্মিক দিশৰ চিন্তাধাৰাৰ বিকাশ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰিছিল। ইয়াণ্ডাবু সন্ধিৰ পিছত অসমলৈ আগমন ঘটা ইষ্ট ইণ্ডিয়া কোম্পানী আৰু খ্ৰীষ্টান মিছনেৰীসকলৰ প্ৰচেষ্টাত ইয়াত আধুনিক শিক্ষাৰ পোহৰ পৰিবলৈ আৰম্ভ কৰে।

অসমৰ উচ্চ শিক্ষাৰ বাটকটীয়া হিচাপে ১৯০১ চনত গুৱাহাটীত স্থাপিত হয় কটন কলেজ। ইয়াৰ ১১ বছৰৰ পিছত অৰ্থাৎ ১৯১২ চনত শিলচৰত অসমৰ দ্বিতীয়খন কলেজ "মুৰাৰীচান্দ কলেজ" স্থাপন হয়। এইদৰে অতি লেহেমীয়া গতিত অসমৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ স্থাপন হৈছিল।

অসমৰ এখন অতি উল্লেখযোগ্য জিলা হ'ল গোলাঘাট জিলা। এই জিলাখনৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ চকু দিলে আমি দেখা পাওঁ বৰ্তমান সময়ত গোলাঘাট জিলাত ১৮ খন মহাবিদ্যালয় আছে। ইয়াৰে এখন হৈছে শিক্ষক-শিক্ষণ মহাবিদ্যালয়। শেহতীয়াকৈ এই জিলাখনত কাৰিকৰী শিক্ষাৰ ইঞ্জিনিয়াৰিং মহাবিদ্যালয় এখন প্ৰতিষ্ঠা কৰাৰ প্ৰস্তুতি আৰম্ভ হৈছে। জিলাখনত স্নাতকোত্তৰ শিক্ষাৰ কোনো ধৰণৰ প্ৰতিষ্ঠান নথকাৰ বাবে ইয়াৰ ১৮ খন মহাবিদ্যালয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত পৰিচালিত হৈ আছিছে।

১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ সময়ত গোলাঘাট জিলাত কোনো উচ্চ শিক্ষাৰ অনুষ্ঠান নাছিল। স্বাধীনতা লাভ কৰাৰ পিছত স্থানীয় সমাজ সচেতন লোকসকলে নিজ নিজ অঞ্চলত উচ্চ শিক্ষা প্ৰসাৰ কৰাৰ উদ্দেশ্যে শিক্ষানুষ্ঠান স্থাপনত আত্মনিয়োগ কৰা দেখিবলৈ পোৱা গৈছিল। এনে প্ৰচেষ্টাৰ ফলশ্ৰুতিতে ১৯৪৯ চনত সেই সময়ৰ গোলাঘাট মহকুমাত প্ৰথমখন মহাবিদ্যালয় গোলাঘাট চহৰত স্থাপন হৈছিল। ১৯৪৯ চনৰ মে' মাহত প্ৰয়াত আযোধ্যা প্ৰসাদ গোস্বামীৰ প্ৰচেষ্টাত গোলাঘাটত মহাবিদ্যালয় স্থাপন সম্পৰ্কীয় এখনি আলোচনা সভা অনুষ্ঠিত হৈছিল। এই সভাত গ্ৰহণ কৰা সিদ্ধান্ত মৰ্মে এই অঞ্চলৰ শিক্ষানুৰাগী লোকৰ প্ৰচেষ্টাত ১৯৪৯ চনৰ ১ চেপ্তেম্বৰ তাৰিখে গোলাঘাট চৰকাৰী বেজবৰুৱা হাইস্কুলত অস্থায়ীভাৱে পুৱাবেলা 'গোলাঘাট কলেজ' নামেৰে এখনি মহাবিদ্যালয় স্থাপন কৰি উচ্চ